**আন্তঃৰাষ্ট্ৰীয় ধৰ্মীয় স্বাধীনতা সম্পৰ্কীয় আমেৰিকাৰ 2025 চনৰ বাৰ্ষিক প্ৰতিবেদন সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰ দিয়ে চৰকাৰী মুখপাত্ৰই**

মাৰ্চ 26, 2025

আমেৰিকাৰ আন্তঃৰাষ্ট্ৰীয় ধৰ্মীয় স্বাধীনতা আয়োগৰ 2025 চনৰ বাৰ্ষিক প্ৰতিবেদন সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰ শ্ৰী ৰণধীৰ জয়ছোৱালে এইদৰে কয়:

আমি শেহতীয়াকৈ প্ৰকাশ পোৱা আন্তঃৰাষ্ট্ৰীয় ধৰ্মীয় স্বাধীনতা আয়োগৰ (USCIRF) 2025 চনৰ বাৰ্ষিক প্ৰতিবেদন প্ৰত্যক্ষ কৰিছো যিয়ে পুনৰবাৰ পক্ষপাতদুষ্ট আৰু ৰাজনৈতিকভাৱে প্ৰেৰিত মূল্যায়ন জাৰি কৰাৰ আৰ্হি অব্যাহত ৰাখিছে।

USCIRF-য়ে বিচ্ছিন্ন কাণ্ডক ভুলকৈ উপস্থাপন কৰাৰ লগতে ভাৰতৰ সজীৱ বহুসাংস্কৃতিক সমাজখনক নিন্দা কৰাৰ অহৰহ প্ৰচেষ্টাই ধৰ্মীয় স্বাধীনতাৰ প্ৰতি প্ৰকৃত চিন্তাৰ পৰিৱৰ্তে ইচ্ছাকৃত এজেণ্ডা প্ৰতিফলিত কৰিছে।

ভাৰতবৰ্ষত 1.4 বিলিয়ন লোক বাস কৰে যিসকল মানৱ জাতিৰ পৰিচিত সকলো ধৰ্মৰ অনুগামী। কিন্তু USCIRF-য়ে ভাৰতৰ বহুত্ববাদী কাঠামোৰ বাস্তৱতাৰ সৈতে জড়িত হ'ব বা ইয়াৰ বৈচিত্ৰময় সম্প্ৰদায়ৰ সুসম সহাৱস্থানক স্বীকাৰ কৰিব বুলি আমাৰ কোনো আশা দেখা নাই।

গণতন্ত্ৰ আৰু সহনশীলতাৰ ৰেখা হিচাপে ভাৰতৰ স্থানক ভেঙুচালি কৰাৰ এনে প্ৰচেষ্টা সফল নহ'ব। প্ৰকৃততে USCIRF হে এক চিন্তাৰ বিষয়।

নতুন দিল্লী
মাৰ্চ 26, 2025